# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)

AJBEC
অজাবি শিক্ষা সংসদ

নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম
Noonmati, Guwahati-781020, Assam
Ph. : 0361-2654229, 9864202080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ
Ref : এজবেক/০৬/০৯/২০২৬-২৭

তাৰিখ ঃ
Date : ১০-০৯-২০২৬

প্ৰতি,

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ বিদ্যালয় প্ৰধানসকল
(সংশ্লিষ্ট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ জৰিয়তে)

বিষয় : ২০২৬-২৭ শিক্ষাবৰ্ষৰ ছয়মাহিলি পৰীক্ষাৰ ৰুটিনৰ সাল-সলনি সন্দৰ্ভত।

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

শ্ৰদ্ধাসহকাৰে আপোনালোক সকলোকে জনোৱা হ'ল যে অহা ০৬-১০-২০২৬ তাৰিখে নিৰ্বাচন আয়োগে নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচন আৰু ধেমাজি জিলাত মিচিং স্বায়ত্বশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন ধাৰ্য্য কৰিছে। সেয়েহে সেই জিলা দুখনত ০৬-১০-২০২৬ তাৰিখে বিদ্যালয়সমূহ বন্ধ থাকিব বাবে সেই দিনটোত ছয়মাহিলি পৰীক্ষা অনুষ্ঠিত কৰিব পৰা নাযাব।

সেয়েহে ০৬-১০-২০২৬ তাৰিখৰ পাছবেলা অনুষ্ঠিত হ'বলগা পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ অসমৰ ইতিহাস বিষয়ৰ পৰীক্ষাটোৰ দিন সলনি কৰি ০১-১০-২০২৬ তাৰিখে পাছবেলা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। আনহাতে ০১-১০-২০২৬ তাৰিখৰ আগবেলা প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ পূৰ্বৰ ১৮-০৮-২০২৬ তাৰিখে প্ৰকাশ কৰা ৰুটিন মতেই পৰীক্ষা অনুষ্ঠিত হ'ব।

১৮-০৮-২০২৬ তাৰিখে প্ৰকাশ কৰা প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ ৰুটিনৰ কোনো সালসলনি হোৱা নাই। পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ যিহেতু ০৬-১০-২০২৬ তাৰিখৰ পৰীক্ষাটো ০১-১০-২০২৬ তাৰিখলৈ সলনি কৰা হৈছে, গতিকে এই জাননীৰ সৈতে সংশোধিত ৰুটিন এখনো প্ৰকাশ কৰা হৈছে। এইক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰিলো।

**বি.দ্ৰ. ঃ পৰীক্ষা সালসলনিৰ এই খবৰটো সকলো বিদ্যালয় তথা শিক্ষাৰ্থীয়ে লাভ কৰাটো নিশ্চিত কৰিব।**

শ্ৰদ্ধাৰে—

| | | |
|---|---|---|
| **(দিলীপ কুমাৰ দত্ত চৌধুৰী)** | **(ডাঃ নাৰায়ণ শৰ্মা)** | **(নৱজ্যোতি তালুকদাৰ)** |
| সভাপতি | সচিব | পৰীক্ষা নিয়ন্ত্ৰক |
| অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ | অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ | অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ |